# Phone call between Prime Minister Shri Narendra Modi and H.E. Mr. Eduard Heger, Prime Minister of the Slovak Republic

February 28, 2022

# প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী আৰু শ্লোভাক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত এডুয়াৰ্ড হেগাৰৰ মাজত টেলিফোনিক বাৰ্তালাপ

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শ্লোভাক গণৰাজ্যৰ প্ৰধানমন্ত্ৰী শ্ৰীযুত এডুয়াৰ্ড হেগাৰৰ সৈতে টেলিফোনযোগে কথা পাতে।

প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনৰ পৰা ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰাই অনা আৰু বিশেষ উদ্ধাৰকাৰী ভাৰতীয় বিমানক অনুমতি দিয়াৰ বাবে শ্লোভাক গণৰাজ্যৰ সহায়ৰ বাবে এডুয়াৰ্ড হেগাৰক ধন্যবাদ জনায়। ভাৰতে যাতে ইয়াৰ অন্য নাগৰিকসকলৰ সংঘাতপূৰ্ণ এলেকাৰ পৰা উদ্ধাৰ কৰাৰ বাবে অনাগত কেইটামান দিন শ্লোভাক গণৰাজ্যক সহায়ৰ অনুৰোধ কৰে।

ভাৰতীয় নাগৰিকসকলক দেশলৈ ঘূৰাই অনাৰ ক্ষেত্ৰত তদাৰক কৰাৰ বাবে কেন্দ্ৰীয় আইন আৰু ন্যায় মন্ত্ৰী শ্ৰী কিৰেণ ৰিজিজুক তেওঁৰ বিশেষ দূত হিচাপে নিযুক্ত কৰা হৈছে বুলিও প্ৰধানমন্ত্ৰী হেগাৰক অৱগত কৰে প্ৰধানমন্ত্ৰী মোদীয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে ইউক্ৰেইনত বৰ্তমান হিংসা আৰু মানৱীয় সংকটজনক পৰিস্থিতিৰ বাবে গভীৰ দুঃখ প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে সংঘাত পৰিহাৰ কৰি আলাপ-আলোচনাত বহাৰ বাবে ভাৰতৰ একেৰাহে কৰি অহা আহ্বানৰ কথা পুনৰ দোঁহাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ সাৰ্বভৌমত্ব আৰু আঞ্চলিক অখণ্ডতাক সন্মান কৰাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে।\

নতুন দিল্লী

ফেব্ৰুৱাৰী 28, 2022

DISCLAIMER: This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.